# REGIONAL NEWS UNIT
## AKASHVANI, GUWAHATI
0000000000

**Date :** 01-09-2025
**Time :** 21-25  Hrs

**ASSAMESE NIGHT BULLETIN**

**::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::::**

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মুখ্যমন্ত্ৰী মহিলা উদ্যমিতা আঁচনিৰ অধীনত শ্ৰীভূমি জিলাৰ পাথাৰকান্দি বিধানসভা সমষ্টিৰ আত্মসহায়ক গোটৰ ১৫ হাজাৰ ৬৭১ গৰাকী সদস্যক ১০ হাজাৰকৈ টকাৰ চেক আনুষ্ঠানিকভাৱে বিতৰণ কৰে। জিলাখনৰ মুণ্ডামালা খেলপথাৰত আয়োজিত এটা অনুষ্ঠানত অংশ লৈ দিয়া ভাষণত মুখ্যমন্ত্ৰীয়ে চৰকাৰী অনুদান হিচাপে লাভ কৰা ধন অপচয় কাৰাৰ পৰিৱৰ্তে অৰ্থনৈতিক উন্নয়নত বিনিয়োগ কৰিবলৈ পৰামৰ্শ দিয়ে। তেওঁ কয়, যে চৰকাৰে এই পুঁজিৰ ব্যৱহাৰ সন্দৰ্ভত সমীক্ষা চলাব আৰু ধনৰ সঠিক ব্যৱহাৰ কৰা মহিলাই পুনৰ ২৫ হাজাৰ টকা লাভ কৰিব। এই ২৫ হাজাৰ টকা ১২ হাজাৰ ৫০০ টকা ৰাজ্য চৰকাৰে আৰু ১২ হাজাৰ ৫০০ টকা বেংকে প্ৰদান কৰিব। এই পুঁজিৰো সঠিক ব্যৱহাৰ কৰিলে মহিলাসকলে পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকাকৈ লাভ কৰিব বুলি মুখ্যমন্ত্ৰীয়ে প্ৰকাশ কৰে।

০০০০০

অসম ৰাজ্যিক বিদ্যালয় শিক্ষা পৰিষদে ২০২৬ চনত অনুষ্ঠিত হ'বলগীয়া হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ বাবে প্ৰ-পত্ৰ পূৰণৰ দিন আজি ঘোষণা কৰিছে। জাৰি কৰা অধিসূচনা অনুসৰি শিক্ষাৰ্থীসকলে অহা ৪ অক্টোবৰলৈ অনলাইনযোগে প্ৰ-পত্ৰ পূৰণ কৰিব পাৰিব। একেদৰে শিক্ষাৰ্থীসকলে ১০ অক্টোবৰলৈকে অনলাইনযোগে মাচুল জমা দিয়া আৰু চালান সংগ্ৰহ কৰিব পাৰিব। ষ্টেট বেংক অৱ ইণ্ডিয়াত চালানযোগে মাচুল জমা দিয়াৰ অন্তিম দিন হৈছে ১৫ অক্টোবৰ। ইয়াৰ  পিছত প্ৰ-পত্ৰত যদি কিবা আসোঁৱাহ থাকে তেন্তে সেই আসোঁৱাহ ২০ অক্টোবৰলৈকে শুধৰাব পাৰিব। উল্লেখযোগ্য যে বিদ্যালয় শিক্ষা পৰিষদে  পৰীক্ষাৰ্থীসকলৰ বাবে পৰীক্ষা মাচুল ৮০০ টকা, ব্যৱহাৰিক পৰীক্ষা মাচুল ৫০ টকা আৰু কেন্দ্ৰ মাচুল ৩৫০ টকা নিৰ্ধাৰণ কৰিছে।

০০০০০

দৰং জিলাৰ মঙলদৈ সদৰ থানা আৰক্ষীয়ে অভিযান চলাই এটা কুখ্যাত অপৰাধী চক্ৰক উৎখাত কৰাৰ লগতে চক্ৰটোৰ সৈতে জড়িত  মহিলাসহ ৪ সদস্যক গ্ৰেপ্তাৰ কৰিছে। ধৃত ব্যক্তিকেইজনৰ স্বীকাৰোক্তিৰ ভিত্তিত আৰক্ষীয়ে ১০ লক্ষাধিক টকা মূল্যৰ চুৰি সোণ আৰু ৰূপৰ আ-অলংকাৰ উদ্ধাৰ কৰে। মঙলদৈ সদৰ থানাৰ ভাৰপ্ৰাপ্ত বিষয়া চন্দনজ্যোতি বৰাই জনোৱা মতে এই সমগ্ৰ চুৰি ঘটনাৰ সৈতে দুজন  সোণাৰীও জড়িত হৈ আছে। উল্লেখযোগ্য যে এই অপৰাধী চক্ৰটোৱে দীৰ্ঘদিনৰ পৰা মঙলদৈ সদৰ থানা এলেকাৰ বিভিন্ন অঞ্চলত একাধিক চুৰি কাৰ্য সংঘটিত কৰি আহিছে।

০০০০০

বিটিচি নিৰ্বাচনৰ বাবে বিভিন্ন ৰাজনৈতিক দলৰ কেইবাগৰাকীও প্ৰাৰ্থীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। চিৰাং জিলাৰ সদৰ কাজলগাঁৱত থকা জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি প্ৰাক্তন মন্ত্ৰী চন্দন ব্ৰহ্ম, বি টি

চিৰ উপ-মুখ্য কাৰ্যবাহী সদস্য খাম্পা বৰগয়াৰী আৰু কাৰ্যবাহী সদস্য চাইখং বসুমতাৰীয়ে ইউ পি পি এল দলৰ হৈ মনোনয়ন পত্ৰ দাখিল কৰে। চিৰাঙত বি পি এফৰ জ্যেষ্ঠ নেতা আৰু সভাপতি হাগ্ৰামা মহিলাৰীয়ে আজি মনোনয়ন পত্ৰ দাখিল কৰে। জিলাখনৰ ৭টা পৰিষদীয় সমষ্টিত আজি ১৫গৰাকী প্ৰাৰ্থীয়ে মনোনয়ন পত্ৰ দাখিল কৰে।

বাক্সা জিলাত নিৰ্দলীয় প্ৰাৰ্থী মনমোহন মদাহীয়ে ককলাবাৰী পৰিষদীয় সমষ্টিৰ পৰা মনোনয়ন পত্ৰ দাখিল কৰে। ইফালে, দিহিৰা পৰিষদীয় সমষ্টিত গণ সুৰক্ষা পাৰ্টীৰ প্ৰাৰ্থী হিচাপে ঘনশ্যাম দাসে বাক্সা জিলাৰ আয়ুক্তৰ ওচৰত মনোনয়ন পত্ৰ দাখিল কৰে। গয়বাৰী সমষ্টিত ইউ পি পি এলৰ হৈ প্ৰমোদ বড়োৱে মনোনয়ন পত্ৰ দাখিল কৰে। তামুলপুৰৰ ৰাজহ চক্ৰ বিষয়াৰ কাৰ্যালয়ত মনোনয়ন পত্ৰ দাখিলৰ পাছত বি টি আৰৰ প্ৰধানগৰাকীয়ে বি টি আৰ অঞ্চলৰ ৩৫ লাখ জনসাধাৰণৰ আশীৰ্বাদ লৈ তেওঁ নিৰ্বাচনত প্ৰতিদ্বন্দ্বিতা কৰিছে বুলি দাবী কৰে।

ooooo

আকাশবাণী গুৱাহাটীৰ প্ৰাক্তন বাতৰি পঢ়োতা গোলাপ শইকীয়াৰ পঞ্চম মৃত্যু বাৰ্ষিকী উপলক্ষে আন আন বছৰৰ দৰে এইবাৰো বাতৰি বিভাগৰ তৰফৰ পৰা এখন অনলাইন বাতৰি পঢ়া প্ৰতিযোগিতাৰ আয়োজন কৰা হৈছে। অষ্টম শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীৰ ছাত্ৰ-ছাত্ৰীৰ বাবে মুকলি এই প্ৰতিযোগিতাৰ ভাষা হ'ব অসমীয়া আৰু সময় ১ মিনিট নিৰ্ধাৰণ কৰা হৈছে। ইচ্ছুক প্ৰতিযোগীয়ে সাম্প্ৰতিক ঘটনাৱলী সম্পৰ্কত সংবাদ মাধ্যমত প্ৰকাশিত বাতৰি আকাশবাণীৰ বাবে উপযুক্ত ৰূপত মোবাইল ফোন অথবা অডিঅ' ৰেকৰ্ডাৰত ৰেকৰ্ড কৰি এম-পি থ্ৰী ৰূপত ৯৭১৬৬৮০৯৬৯, ৯৮৬৪৩৯৩১৫৫ আৰু ৯৬১৯৬৮৬৬৫৯ নম্বৰত হোৱাট্ছএপত পঠিয়াব লাগিব। ২৪ ছেপ্তেম্বৰৰ সন্ধিয়া ৬ বজাৰ ভিতৰত লাভ কৰা হোৱাট্ছএপ বাৰ্তাহে প্ৰতিযোগিতাৰ বাবে বিবেচনা কৰা হ'ব। ইয়াৰ বাহিৰে আন কোনো ধৰণে দিয়া বাতৰিৰ বাৰ্তা গ্ৰহণযোগ্য নহ'ব। বিজয়ী প্ৰতিযোগীসকলক পুৰস্কাৰ আৰু প্ৰমাণপত্ৰৰে সন্মানিত কৰা হ'ব আৰু প্ৰথম বিবেচিত তিনিটা বাতৰি আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰিত প্ৰচাৰ কৰা হ'ব।

ooooo

অহা ৪ ৰ পৰা ৮ নৱেম্বৰলৈ মালয়েছিয়াত হ'বলগীয়া প্ৰথম বিশ্বকাপ ল'ন বল প্ৰতিযোগিতাৰ ভাৰতীয় দলত অসমৰ অৰ্জুন বঁটাৰে সন্মানিত নয়নমণি শইকীয়া আৰু পুতুল সোণোৱালে স্থান লাভ কৰিছে। যোৱা ২৬ আগষ্টৰ পৰা কালিলৈকে নতুন দিল্লীত অনুষ্ঠিত শিবিৰত দুয়োগৰাকী খেলুৱৈয়ে বাছনি লাভ কৰে। অসম ল'ন বল সন্থাই খেলুৱৈ দুগৰাকীক অভিনন্দন জ্ঞাপন কৰি তেওঁলোকৰ সফলতা কামনা কৰিছে।

ooooo

ডিব্ৰুগড়ৰ বৈৰাগীমঠৰ নিজ কদমণি নিৱাসী শ্বাহিদ লতিফৰ আজি হৃদৰোগত আক্ৰান্ত হৈ অসম চিকিৎসা মহাবিদ্যালয়ত মৃত্যু হয়। ডিব্ৰুগড়ৰ কেইবাটাও সামাজিক অনুষ্ঠানৰ সৈতে তেখেত জড়িত হৈ আছিল। তেখেতৰ মৃত্যুত ডিব্ৰুগড়ৰ গৰিয়া মৰিয়া জাতীয় পৰিষদ, কদমণি মছজিদ কমিটি, ডিব্ৰুগড়ৰ ঈদগাহ সমিতিকে ধৰি বিভিন্নজনে শোক প্ৰকাশ কৰিছে।

ooooo

ঃঃ সমাপ্ত ঃঃ